**প্ৰশ্ন ১। প্ৰথম বিশ্বযুদ্ধৰ কাৰণবোৰ ব্যাখ্যা কৰা।**

**উত্তৰ।** সাম্ৰাজ্যবাদ আৰু উপনিৱেশসমূহৰ শক্তিৰ সংঘাতেই প্ৰথম বিশ্বযুদ্ধৰ মূল কাৰণ আছিল। সাম্ৰাজ্যবাদ সম্প্ৰসাৰণৰ ফলত বিভিন্ন সাম্ৰাজ্যবাদী শক্তিসমূহৰ ভিতৰত নানা সংঘাতৰ সৃষ্টি হৈছিল আৰু সেই সংঘাতবোৰেই প্ৰথম বিশ্বযুদ্ধৰ পটভূমি ৰচনা হৈছিল।

১৯১৪ চনৰ জুলাই মাহত ইউৰোপত প্ৰথম বিশ্বযুদ্ধৰ জুই জ্বলি উঠে আৰু সেই জুইকুৰা ১৯১৮ চনৰ নৱেম্বৰ মাহলৈকে জ্বলি থাকে। প্ৰথম বিশ্ব যুদ্ধখন আৰম্ভনিতে ইউৰোপৰ পাঁচটা শক্তিৰ মাজত আৰম্ভ হৈছিল যদিও পাছলৈকে সৰু-ডাঙৰ বহু কেইখন দেশ এই যুদ্ধত জড়িত হৈছিল। প্ৰথম মহাযুদ্ধৰ অন্তৰ্নিহিত কাৰণ আছিল—**সাম্ৰাজ্যবাদী শক্তিসমূহৰ অৰিয়াঅৰি**। এখন দেশে আন এখন দেশৰ সৈতে বাণিজ্যিক আৰু ঔপনিৱেশিক বিষয়লৈ তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ সৃষ্টি হৈছিল। সাম্ৰাজ্যবাদত ভাগ লোৱা প্ৰধান দেশবোৰ হৈছে—**ইংলেণ্ড, ফ্ৰান্স, ৰাচিয়া**। পিছলৈ সৰু সৰু ৰাষ্ট্ৰ—**পৰ্তুগাল, বেলজিয়াম, হলেণ্ড** আদি দেশেও সাম্ৰাজ্যবাদী পথ অনুসৰণ কৰে। **জাৰ্মান** আৰু **ইটালীয়েও** এই দেশসমূহক অনুসৰণ কৰি সাম্ৰাজ্যবাদৰ মনোভাৱ গ্ৰহণ কৰে আৰু **আমেৰিকা যুক্তৰাষ্ট্ৰয়ো** প্ৰাচ্য দেশত নিজৰ আধিপত্য বিস্তাৰৰ সংগ্ৰামত লিপ্ত হয়। এনেদৰে সাম্ৰাজ্যবাদী মনোভাৱৰ বাবে সাম্ৰাজ্যবাদী ৰাষ্ট্ৰসমূহৰ মাজত বিৰোধভাৱৰ সৃষ্টি হয়।

ইউৰোপীয় দেশসমূহৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ সৃষ্টি হৈছিল মূলতঃ ছয়টা সমস্যাক কেন্দ্ৰ কৰি ; যেনে—**ইজিপ্তক** লৈ ইংলেণ্ড আৰু ফ্ৰান্সৰ ; **ইৰাণক** লৈ ৰাচিয়া আৰু ইংলেণ্ডৰ ; **দক্ষিণ আফ্ৰিকাক** লৈ ইংলেণ্ড আৰু জাৰ্মানিৰ ; **বালকান অঞ্চলক** লৈ ৰাচিয়া আৰু জাৰ্মানিৰ ; **চীনদেশক** লৈ জাপান আৰু ৰাচিয়াৰ ; **মৰক্কোক** লৈ জাৰ্মানিৰ আৰু ফ্ৰান্সৰ মাজত হোৱা বিবাদ। এনেদৰে সাম্ৰাজ্যত নিজৰ কৰ্তৃত্ব স্থাপন

Scanned by CamScanner

কৰাৰ বাবে মাজে মাজে ইউৰোপৰ দেশসমূহৰ মাজত কাজিয়াৰ সূত্ৰপাত হৈছিল আৰু ক্ৰমান্বয়ে পৰিস্থিতি অধিক উত্তপ্ত হৈছিল। বিভিন্ন সাম্ৰাজ্যবাদী শক্তিয়ে আলাপ-আলোচনাৰ জৰিয়তে ঔপনিবেশিক সমস্যা সমাধানৰ চেষ্টা কৰিছিল যদিও তেওঁলোকৰ মাজত কোনো আন্তৰ্জাতিক সংস্থা বা সংঘ গঢ়ি নুঠাৰ ফলত আলোচনাৰ স্তৰ পোৱালৈকে বিবাদমান দেশকেইখনৰ মাজত তিক্ততাৰ সৃষ্টি হৈছিল। সাম্ৰাজ্যবাদৰ কালছোৱাত ৰাচিয়া আৰু জাপানে যুদ্ধ এৰি চলিব পৰা নাছিল বাবে উপনিবেশিকৰ প্ৰশ্নক লৈ ১৯০৪—১৯০৫ চনত ৰুচ-জাপান যুদ্ধ সংঘটিত হয় আৰু এই যুদ্ধত ৰাচিয়াই পৰাজয় বৰণ কৰিবলগীয়া হয়। যুদ্ধত জয়ী হৈ জাপানৰ সাম্ৰাজ্যবাদ ক্ৰমান্বয়ে অধিক উগ্ৰ হৈ পৰিছিল। সাম্ৰাজ্যবাদী দেশসমূহে পাৰস্পৰিক হিংসা-দ্বেষৰ বাবে কম বেছি পৰিমাণে সকলোৱে নিৰাপত্তাহীনতাত ভূগিছিল আৰু সেইবাবে সকলো দেশে নিজৰ অস্ত্ৰ-ভাণ্ডাৰ শক্তিশালী কৰি তুলিছিল।

ইউৰোপৰ ভিতৰত আৰম্ভ হোৱা সংঘাতেও প্ৰথম বিশ্বযুদ্ধৰ আন এক কাৰণ। এচিয়া আৰু আফ্ৰিকাৰ ঔপনিবেশিক প্ৰশ্নৰ বাদেও ইউৰোপৰ ভিতৰৰ বিভিন্ন সমস্যাই সাম্ৰাজ্যবাদী শক্তিবোৰৰ মাজত তীব্ৰ বাদ-বিসম্বাদৰ সৃষ্টি হৈছিল। সকলো দেশে কম বেছি পৰিমাণে বালাকান উপত্যকাৰ সমস্যাৱলী হস্তক্ষেপ কৰি নিজৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল। অষ্টাদশ শতিকাত তুৰ্কী সাম্ৰাজ্য দুৰ্বল হৈ পৰাত বালাকানৰ খ্ৰীষ্টান দেশবোৰে নিজৰ ঠাইখন স্বাধীন কৰিবলৈ যত্নপৰ হৈছিল আৰু সেই ক্ষেত্ৰত বিশেষভাৱে উচটনি যোগাইছিল ৰাচিয়াই। ৰুচসকল আছিল স্লাভ জাতিৰ লোক আৰু সেইবাবে ৰাচিয়াই বালাকানৰ স্লাভসকল তুৰ্কীৰ কবলৰপৰা মুক্ত কৰি নিজৰ প্ৰভাৱ বিস্তাৰ কৰাৰ কথা চিন্তা কৰে। স্লাভ জাতিৰ বৃহৎ দেশ হৈছে ছাৰ্বিয়া আৰু ছাৰ্বিয়াৰ নেতৃত্বতে তাত স্লাভ আন্দোলন গঢ়ি উঠিছিল আৰু এই আন্দোলনৰ আগত আছিল ৰাচিয়া। স্লাভসকলক একত্ৰিত কৰাৰ প্ৰচেষ্টাত অষ্ট্ৰিয়া-হাংগেৰি সন্ত্ৰস্ত হ'ল আৰু অষ্ট্ৰিয়া-হাংগেৰিয়ে বালাকানৰ ৰুচ আৰু ছাৰ্বৰ সম্প্ৰসাৰণৰ বিৰুদ্ধে থিয় দিছিল। একে সময়তে জাৰ্মান জাতীয়তাবাদেও গা কৰি উঠিছিল আৰু ইটালীয়েও ইটালিয়া, ইৰিডেন্টা আন্দোলন গঢ়ি তুলি ইটালিয় লোকসকলক লৈ এখন স্বাধীন ৰাষ্ট্ৰৰ সপোন দেখিছিল।

ইউৰোপৰ বিভিন্ন ৰাষ্ট্ৰৰ মাজত থকা বিৰোধভাৱ আৰু ঔপনিবেশিক সংঘাতবোৰে এখন মহাযুদ্ধৰ আৰম্ভনিৰ কথাটো সকলো দেশৰে অৱগত আছিল। আৰু সেয়ে সকলো দেশে আত্মৰক্ষাৰ বাবে আন দেশৰ লগত মিত্ৰতাৰ জোঁট বান্ধিছিল আৰু

Scanned by CamScanner

সামৰিক প্ৰস্তুতি চলাইছিল। মিত্ৰতা বন্ধনৰ ক্ষেত্ৰত ইউৰোপত প্ৰথমে উদ্যোগ গ্ৰহণ কৰিছিল জাৰ্মান ৰাষ্ট্ৰৰ স্ৰষ্টা অটভন বিচমাৰ্কে। ত্ৰি-পাক্ষিক মিত্ৰতা ইউৰোপৰ প্ৰথম সামৰিক চুক্তি আছিল। বিচমাৰ্কৰ পতনৰ পিছত জাৰ্মানিৰ নতুন সম্ৰাট দ্বিতীয় ইউলিয়ামে সম্পূৰ্ণৰূপে সাম্ৰাজ্যবাদী নীতি গ্ৰহণ কৰাত ইউৰোপীয় ৰাজনীতিৰ পৰিৱৰ্তন আহিল। ইংলেণ্ডে নিজৰ ভৱিষ্যৎ সুৰক্ষিত কৰিবৰ বাবে জাপানৰ সতে মিত্ৰতাৰ সূত্ৰত আৱদ্ধ হয় আৰু ফ্ৰান্সৰ লগত সোহাৰ্দ্যমূলক চুক্তি কৰি দুয়োদেশৰ মাজত থকা উপনিৱেশিক সমস্যাবোৰ সমাধান কৰে। ১৯০৭ চনত ইউৰোপখন দুটা শিবিৰত বিভক্ত হয়। এটা শিবিৰত **জাৰ্মানি, অষ্ট্ৰিয়া, ইটালী** আৰু আনটো শিবিৰত **ইংলেণ্ড, ফ্ৰান্স** আৰু **ৰাচিয়া**। পৰস্পৰ বিৰোধী দুটা শিবিৰ গঠন হোৱাত হিংসা-দ্বেষ আৰু কুটিলতা বৃদ্ধি পালে।

ইউৰোপৰ পৰিৱেশ উদগীৰণমুখী হৈ উঠাৰ সময়তে অষ্ট্ৰিয়াৰ যুৱৰাজ **ফ্ৰান্সিচ** ফাৰ্ডিনেণ্ড (Francis Ferdinand) আৰু তেওঁৰ পত্নীক বচনিয়াৰ ৰাজধানী চাৰাজেভোত কোনোবাই হত্যা কৰাক কেন্দ্ৰ কৰি সমগ্ৰ ইউৰোপতে এক চাঞ্চল্যৰ সৃষ্টি হ'ল। অষ্ট্ৰিয়াই হত্যাকাণ্ডৰ লগত চাৰ্বিয়াক জগৰীয়া কৰিলে আৰু দহোটা দাবী সম্বলিত এখন দাবীপত্ৰ প্ৰেৰণ কৰে। **চাৰাজেভোৰ হত্যাকাণ্ডক** কেন্দ্ৰ কৰি সংঘটিত হোৱা যুদ্ধখন পাছলৈ বিশ্বযুদ্ধলৈ পৰিণত হ'ল। যুদ্ধখনৰ মূল পক্ষ দুটা হৈছে— কেন্দ্ৰীয় **শক্তি** (Central Power) আৰু আনটো **মিত্ৰপক্ষ** (Allied Power)। মিত্ৰ-পক্ষৰ ৰাষ্ট্ৰসমূহ হৈছে—**ইংলেণ্ড, ফ্ৰান্স** আৰু **ৰাচিয়া** আনহাতে কেন্দ্ৰীয় শক্তিৰ ৰাষ্ট্ৰকেইখন হৈছে—**জাৰ্মানি, অষ্ট্ৰিয়া, হাংগেৰি** আৰু **ইটালী**। জাৰ্মানিয়ে প্ৰথমতে ফ্ৰান্সক পৰাজিত কৰি ৰাচিয়াৰ বিৰুদ্ধে অগ্ৰসৰ হৈছিল আৰু জাৰ্মানিৰ আক্ৰমণত ফ্ৰান্সৰ পতন হৈছিল।

এনেদৰে ইউৰোপৰ বিভিন্ন ৰাষ্ট্ৰৰ সাম্ৰাজ্যবাদী কাৰ্যকলাপে বিশ্বযুদ্ধৰ কাৰণ হৈছিল আৰু এই যুদ্ধত সমগ্ৰ বিশ্বৰ এক বৃহৎ পৰিমাণৰ ক্ষতি হৈছিল। ১৯১৮ চনত জাৰ্মানিৰ অস্ত্ৰ বিৰতি চুক্তিৰ লগে লগে প্ৰথম বিশ্বযুদ্ধৰ সামৰণি পৰে।

**প্ৰশ্ন ২। প্ৰথম বিশ্বযুদ্ধৰ ফলাফলবোৰ আলোচনা কৰা।**

**উত্তৰ।** কুৰি শতিকাৰ দ্বিতীয় দশকত সংঘটিত হোৱা প্ৰথম বিশ্ব যুদ্ধখন জাৰ্মানিৰ আত্মসমৰ্পণৰ লগে লগে সমাপ্তি হৈছিল। কিন্তু প্ৰথম বিশ্বযুদ্ধৰ ফলাফল আছিল সুদূৰ-প্ৰসাৰী।

প্ৰথম বিশ্বযুদ্ধৰ পাছত বিশ্বশান্তি প্ৰতিষ্ঠাৰ হকে ১৯২০ চনত জাতিসংঘ প্ৰতিষ্ঠ



Scanned by CamScanner

কৰা হয়। ১৯১৯ চনত জাৰ্মানিৰ সৈতে মিত্ৰপক্ষৰ ভাৰ্চাই চুক্তি স্বাক্ষৰিত হয়। প্ৰথম বিশ্বযুদ্ধৰ ফলত ৰাচিয়াৰ প্ৰাচীন ৰ'মানভ বংশৰ পতন ঘটে। তাৰ পাছত জাৰ্মানিৰ হহেন জৰ্লান আৰু অষ্ট্ৰিয়া-হাংগেৰিৰ হেপচ্‌বাৰ্গ ৰাজবংশৰ গৌৰব নোহোৱা হয়।

১৯২২ চনত মুস্তাফা কামাল পাছাই খলিফাৰ শাসনৰ অৱসান ঘটাই তুৰস্কত এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰে। প্ৰথম মহাযুদ্ধৰ ফলত বিভিন্ন ভাষাভাষীৰ মানুহক লৈ গঠিত বৃহৎ ৰাজ্যৰ পৰিসীমা চুটি হয় আৰু তাৰ ঠাইত জাতীয়তাৰ ভিত্তিত কিছুমান নতুন ৰাষ্ট্ৰৰ জন্ম হয়। অষ্টাদশ শতিকাৰ শেষভাগলৈকে পোলেণ্ড দেশখন ৰাচিয়া, জাৰ্মানি আৰু অষ্ট্ৰিয়াৰ ভিতৰত সোমাই আছিল কিন্তু প্ৰথম বিশ্বযুদ্ধৰ ফলত পোলেণ্ড ৰাষ্ট্ৰখন সুকীয়াকৈ স্বীকৃতি পায়। প্ৰথম বিশ্বযুদ্ধৰ পাছত ৰাচিয়াত জাৰতন্ত্ৰৰ ধ্বংসস্তূপৰপৰা ফিনলেণ্ড, লেটিভিয়া, ইষ্টনিয়া আৰু লিথুৱেনিয়া নামৰ চাৰিখন নতুন ৰাষ্ট্ৰৰ জন্ম হয়। অষ্ট্ৰিয়া-হাংগেৰিৰ সাম্ৰাজ্যৰপৰা চেকোশ্লোভিয়া আৰু যুগোশ্লোভিয়া নামৰ দুখন ৰাষ্ট্ৰ গঠন কৰা হয়। প্ৰথম বিশ্বযুদ্ধৰ ফলস্বৰূপে পৃথিৱীৰ বিভিন্ন ঠাইত জাতীয় ৰাষ্ট্ৰ গঠনৰ বাবে আন্দোলন গঢ়ি উঠে।

প্ৰথম বিশ্বযুদ্ধৰ পাছত ইউৰোপৰ ৰাজনৈতিক জটিলতা ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰে। বহুতো দেশত ৰাজতান্ত্ৰিক চৰকাৰৰ ঠাইত গণতান্ত্ৰিক চৰকাৰ গঠন হয়। বিভিন্ন সৰু সৰু দেশৰ উপৰিও ৰাচিয়া, অষ্ট্ৰিয়া, জাৰ্মানি আৰু তুৰস্ক দেশত ৰাজতন্ত্ৰৰ ঠাইত গণতান্ত্ৰিক চৰকাৰে গা কৰি উঠে। একেদৰে গ্ৰীচ দেশতো গণতান্ত্ৰিক চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰে। প্ৰথম বিশ্বযুদ্ধৰ ফলত কিছুমান দেশত গণতান্ত্ৰিক চৰকাৰে যুদ্ধোত্তৰ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিব নোৱাৰাত তেনেবোৰ দেশত একনায়কত্ববাদে গা কৰি উঠে। একনায়কত্ববাদে গা কৰা দেশ হৈছে জাৰ্মানি, ইটালী, স্পেইন। একেদৰে ছোভিয়েট ৰাচিয়াই সমাজবাদী আদৰ্শৰে উদ্বুদ্ধ হৈ সৰ্বহাৰাৰ একনায়কত্ব চৰকাৰ গঠন কৰে।

প্ৰথম বিশ্বযুদ্ধৰ ফলত ইউৰোপৰ ৰাজনৈতিক সমীকৰণৰ এক পৰিৱৰ্তন হয়। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট-ৰাচিয়াৰ উত্থানৰ ফলত ইউৰোপত এক অস্থিৰ ৰাজনৈতিক পৰিস্থিতিৰ সৃষ্টি হয়। প্ৰথম বিশ্বযুদ্ধৰ আগলৈকে ইউৰোপীয় ৰাজনীতিত কেৱল ইউৰোপীয় দেশৰহে প্ৰাধান্য আছিল, কিন্তু ১৯১৯ চনৰ পাছৰপৰা আমেৰিকাই বিশ্ব-ৰাজনীতিত এক বিশেষ ভূমিকা গ্ৰহণ কৰি সকলো দেশতে এক বিশেষ প্ৰভাৱ বিস্তাৰ কৰে। প্ৰথম বিশ্বযুদ্ধৰ ফলস্বৰূপে আমেৰিকাৰ পুঁজিবাদ আৰু ছোভিয়েট ৰাচিয়াৰ সমাজবাদে বিশ্বক দুটা ভাগত ভাগ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে।

Scanned by CamScanner

প্ৰথম বিশ্বযুদ্ধখন সংঘটিত হৈছিল পৃথিৱীৰপৰা যুদ্ধৰ অৱসান ঘটাবলৈকে কিন্তু পেৰিচৰ ওচৰে-পাজৰে সম্পাদন কৰা চুক্তিসমূহে আন এখন মহাযুদ্ধৰ বীজ ৰোপণ কৰিলে। প্ৰথম বিশ্বযুদ্ধ তাৰ অন্তত স্বাক্ষৰিত চুক্তিসমূহে বিশ্বৰ ৰাজনৈতিক মানচিত্ৰৰ ব্যাপক সাল-সলনি ঘটালে। এই যুদ্ধই আমেৰিকা যুক্তৰাষ্ট্ৰক বিশ্বৰ সৰ্বশ্ৰেষ্ঠ শক্তিৰূপে চিহ্নিত কৰিলে। বিশ্বযুদ্ধৰ ফলত **'বিশ্বনিয়ন্ত্ৰা ইউৰোপ'** মহাদেশখন 'সমস্যাবহুল ইউৰোপলৈ' পৰিৱৰ্তিত হ'ল। প্ৰথম বিশ্বযুদ্ধৰ ফলস্বৰূপে এচিয়া আৰু আফ্ৰিকা মহাদেশৰ উপনিৱেশসমূহত বিদেশী শাসনৰ বিপক্ষে এক প্ৰবল স্বাধীনতা আন্দোলন গঢ় লৈ উঠে।

প্ৰথম বিশ্বযুদ্ধৰ গুৰুত্বপূৰ্ণ ফলাফল হ'ল আন্তঃৰাষ্ট্ৰীয় ভাবধাৰাত বিকাশ সাধন। যুদ্ধৰ সময়ছোৱাত মিলিত হৈ ৰণকৌশল প্ৰস্তুত কৰা বিভিন্ন ৰাষ্ট্ৰৰ নেতৃবৰ্গই বিশ্বশান্তিৰ বাবে পাৰস্পৰিক বুজাবুজিৰ প্ৰয়োজনীয়তা অনুভৱ কৰে। বিশ্বযুদ্ধৰ ভয়াবহ ধ্বংসলীলা দেখি বিশ্ববাসী ভাৱাক্ৰান্ত হৈ যুদ্ধৰ পৰিৱৰ্তে আলাপ-আলোচনাৰ মাজেৰে আন্তঃৰাষ্ট্ৰীয় বিবাদসমূহ নিষ্পত্তি কৰাৰ সপক্ষে চাৰিওফালে এক প্ৰবল জনমত গঢ় লৈ উঠে। এনে পৰিস্থিতিত জাতিসংঘ নামৰ এক আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ জন্ম হয়।

প্ৰথম বিশ্বযুদ্ধৰ ফলত নাৰীৰ সামাজিক মৰ্যাদা বৃদ্ধি পাইছিল। যুদ্ধ চলি থকা অৱস্থাত নাৰীসকলে পুৰুষৰ কামখিনি কৰিব লগা হোৱাত নাৰীসকলৰ মাজত আত্মসন্মান, আত্মবিশ্বাস আদি ভাব জাগি উঠি এক স্বাধীন সত্তাৰ জন্ম হ'ল। নাৰী জাগৰণৰ লগে লগে সামাৰিক জীৱনত এক নতুন যুগৰ আৰম্ভণি হ'ল আৰু প্ৰজাতান্ত্ৰিক দেশসমূহত নাৰীৰ ভোটাধিকাৰ স্বীকৃত হোৱাত নাৰীসকলৰ ৰাজনৈতিক গুৰুত্বৰ লগতে সামাজিক মৰ্যাদা বৃদ্ধি পালে।

প্ৰথম বিশ্বযুদ্ধই সাম্ৰাজ্যবাদৰ অগ্ৰগতি ৰুদ্ধ কৰিব পৰা নাছিল। যুদ্ধত জয়লাভ কৰা ৰাষ্ট্ৰসমূহে বাস্তৱ ক্ষেত্ৰত নিজ নিজ উপনিৱেশিক সাম্ৰাজ্য অধিক সম্প্ৰসাৰিত কৰিছিল। ফলস্বৰূপে প্ৰথম বিশ্বযুদ্ধৰ অন্তত সাম্ৰাজ্যবাদী শক্তিসমূহৰ মাজৰপৰা তীব্ৰ প্ৰতিদ্বন্দ্বিতা আতৰ নহ'ল।

**প্ৰশ্ন ৩। চমু উত্তৰ দিয়া ঃ**

**(ক) ১৯১৪—১৯১৮ চনৰ যুদ্ধখন কিয় বিশ্বযুদ্ধ বুলি কোৱা হয়?**

**উত্তৰ।** ১৯১৪ চনৰপৰা ১৯১৮ চনলৈকে বিশ্বৰ বিভিন্ন ঠাইত বিভিন্ন ৰাষ্ট্ৰৰ মাজত যুদ্ধ চলিছিল। এই যুদ্ধখন প্ৰথমতে ইউৰোপ, এচিয়া, আফ্ৰিকা আৰু প্ৰশান্ত

Scanned by CamScanner

মহাসাগৰৰ বিভিন্ন ক্ষেত্ৰত সংঘটিত হৈছিল। এই যুদ্ধ স্থলভাগ, জলভাগ, মৰুভূমি আৰু আকাশমাৰ্গৰপৰা চলিছিল। এই যুদ্ধত এক কোটি ত্ৰিশ লাখ মানুহৰ মৃত্যু হৈছিল আৰু প্ৰথমবাৰৰ বাবে এই যুদ্ধত উৰাজাহাজ, মেচিন গান, টেংক, ইউবোট বা পানীৰ তলৰ জাহাজ, পানীয় জুই, বোমা, বিষাক্ত গেছ আদি ব্যৱহাৰ কৰা হৈছিল। বিশ্ব ইতিহাসত বিভিন্ন অস্ত্ৰ-সম্ভাৰেৰে সৈতে এনে ধ্বংসাত্মক যুদ্ধ আগতে কেতিয়াও সংঘটিত হোৱা নাছিল। সেইকাৰণে ১৯১৪—১৯১৮ চনৰ ধ্বংসাত্মক যুদ্ধখনক বিশ্বযুদ্ধ আখ্যা দিয়া হয়।

**(খ) কি ছটা সমস্যাক কেন্দ্ৰ কৰি ইউৰোপৰ দেশসমূহৰ মাজত প্ৰতিদ্বন্দ্বিতা হৈছিল?**

**উত্তৰ।** ইউৰোপৰ দেশসমূহৰ মাজত প্ৰতিদ্বন্দ্বিতা চলা প্ৰধান ছয়টা সমস্যা হৈছে—

ইজিপ্তক লৈ ইংলেণ্ড আৰু ফ্ৰান্সৰ; ইৰাণক (পাৰ্চিয়া) লৈ ইংলেণ্ড আৰু ৰাচিয়াৰ সংঘাত; দক্ষিণ আফ্ৰিকাক লৈ ইংলেণ্ড আৰু জাৰ্মানিৰ সংঘাত; বালকান অঞ্চলক লৈ জাৰ্মানি আৰু ৰাচিয়াৰ বিবাদ; চীনদেশক লৈ জাপান আৰু ৰাচিয়াৰ বিবাদ; মৰক্কোক লৈ জাৰ্মানি আৰু ফ্ৰান্সৰ বিবাদ। এই বিবাদৰ ফলস্বৰূপে মাজে মাজে ইউৰোপৰ পৰিস্থিতি উত্তপ্ত হৈছিল।

**(গ) প্ৰথম বিশ্বযুদ্ধৰ আগতে কোন দুটা শিবিৰ গঠিত হৈছিল? প্ৰত্যেক শিবিৰৰে সদস্যৰাষ্ট্ৰ কেইখনৰ নাম লিখা।**

**উত্তৰ।** প্ৰথম বিশ্বযুদ্ধৰ আগতে গঠন হোৱা শিবিৰ দুটা হৈছে—কেন্দ্ৰীয় শক্তি (Central Power) আৰু মিত্ৰ শক্তি (Allied Power)। কেন্দ্ৰীয় শক্তিৰ সদস্য ৰাষ্ট্ৰ কেইখন হৈছে—ত্ৰিপাক্ষিক চুক্তি সম্পন্ন জাৰ্মানি, অষ্ট্ৰিয়া, হাংগেৰি আৰু ইটালি।

মিত্ৰপক্ষ সদস্য ৰাষ্ট্ৰ কেইখন হৈছে—১৯০৭ চনত সৌহাৰ্দমূলক মিত্ৰতাৰ চুক্তিত স্বাক্ষৰ কৰা ইংলেণ্ড, ফ্ৰান্স আৰু ৰাচিয়া। মিত্ৰপক্ষক সহায় কৰা দেশসমূহ হৈছে—চীন, ৰুমানিয়া, গ্ৰীচ আৰু আমেৰিকা। আনহাতে কেন্দ্ৰীয় শক্তিক সহায় কৰা দেশ আছিল তুৰস্ক আৰু বুলগেৰিয়া।

**(ঘ) উইলচনৰ চৈধ্য-দফা বুলি কাক কোৱা হয়? তাৰ যেই সেই দুটা দফা উল্লেখ কৰা।**

**উত্তৰ।** ১৯১৮ চনৰ জানুৱাৰী মাহত আমেৰিকাৰ ৰাষ্ট্ৰপতি উড্ৰ উইলচনে

Scanned by CamScanner

বিশ্ব-শান্তি প্ৰতিষ্ঠাৰ হকে এক শান্তি আঁচনি প্ৰস্তুত কৰে। সেই আঁচনিখনত চৈধ্যটা দফা আছিল বাবে তাক উইলচনৰ চৈধ্য-দফা (Wilson's Fourteen Point) বুলি কোৱা হয়।

- সেই আঁচনিখনৰ দুটা দফা হৈছে—প্ৰকাশ্যভাৱে শান্তি স্থাপন কৰা, সমুদ্ৰ পৰিবহনত সকলোৰে অবাধ অধিকাৰ থকা, সকলো দেশে অস্ত্ৰ-সম্ভাৰ সীমিত কৰা আদি।

**(ঙ) ভাৰ্চাই চুক্তিৰ দুটা ৰাজ্যক্ষেত্ৰিক সিদ্ধান্ত উল্লেখ কৰা।**

**উত্তৰ।** ভাৰ্চাই চুক্তিখন (Treaty of Varsailles) ১৯১৯ চনৰ ২৮ জুনত জাৰ্মানিৰ লগত কৰা হয়। ভাৰ্চাই চুক্তিৰ চৰ্তমতে জাৰ্মানিক প্ৰথম বিশ্বযুদ্ধৰ বাবে জগৰীয়া কৰি আগতে আনৰপৰা জয় কৰা ৰাজ্যক্ষেত্ৰবোৰ ঘূৰাই দিয়াৰ ব্যৱস্থা হয়।

ভাৰ্চাই চুক্তিৰ দুটা ৰাজ্যক্ষেত্ৰিক সিদ্ধান্ত হৈছে—

জাৰ্মানিয়ে আলচাচ্ আৰু লৰেইন ফ্ৰান্সক ঘূৰাই দিয়ে, আৰু মেলমেডি, ইউপেন আৰু মৰেজনট বেলজিয়ামক ঘূৰাই দিয়ে।

**প্ৰশ্ন ৪। অতি চমু উত্তৰ দিয়া ঃ**

**(ক) জাৰ্মানিৰ চেঞ্চেলাৰ কোন আছিল?**

**উত্তৰ।** জাৰ্মানিৰ চেঞ্চেলাৰ আছিল অটভন বিচমাৰ্ক।

**(খ) বিশ্ব ৰাজনীতিৰ প্ৰধান পৃষ্ঠপোষক জাৰ্মান ৰজাজনৰ নাম কি?**

**উত্তৰ।** বিশ্ব ৰাজনীতিৰ প্ৰধান পৃষ্ঠপোষক জাৰ্মান ৰজাজনৰ নাম হৈছে—দ্বিতীয় ইউলিয়াম।

**(গ) ত্ৰিপাক্ষিক মিত্ৰতাত কেইটা শক্তি আছিল?**

**উত্তৰ।** ত্ৰিপাক্ষিক মিত্ৰতাত (Triple Alliance) তিনিটা শক্তি আছিল। সেই হৈছে—জাৰ্মানি, অষ্ট্ৰিয়া আৰু ইটালী।

**(ঘ) বচনিয়া আৰু হাৰজিগভিনাক কোনে চামিল কৰিছিল?**

**উত্তৰ।** বচনিয়া আৰু হাৰজিগভিনাক অষ্ট্ৰিয়াই নিজ ৰাজ্যৰ লগত চামিল কৰিছিল।

**(ঙ) ১৯১৭ চনত জাৰ্মানিৰ সম্ৰাট কোন আছিল?**

**উত্তৰ।** ১৯১৭ চনত জাৰ্মানিৰ সম্ৰাট আছিল দ্বিতীয় উইলিয়াম।

Scanned by CamScanner

(চ) জাৰ্মানিয়ে কেতিয়া অস্ত্ৰ-বিৰতিৰ চুক্তিত চহী কৰিছিল?

উত্তৰ। ১৯১৮ চনৰ ১১ নৱেম্বৰত জাৰ্মানিয়ে অস্ত্ৰ-বিৰতিৰ চুক্তিত চহী কৰিছিল।

(ছ) মাৰ্চাল ফাৰ্ডিনেল ফ'ক কোন আছিল?

উত্তৰ। মাৰ্চাল ফাৰ্ডিনেল ফ'ক (Marshall Fardinand Foch) ফ্ৰান্সৰ এজন সেনাপতি আছিল।

(জ) কোন চনত পেৰিচ শান্তি সন্মিলন অনুষ্ঠিত হৈছিল?

উত্তৰ। ১৯১৯ চনৰ ১৮ জানুৱাৰীত পেৰিচ শান্তি সন্মিলন অনুষ্ঠিত হৈছিল।

(ঝ) পেৰিচ শান্তি সন্মিলনৰ সভাপতি কোন আছিল?

উত্তৰ। পেৰিচ শান্তি সন্মিলনৰ সভাপতি আছিল ফ্ৰান্সৰ প্ৰধানমন্ত্ৰী জৰ্জ ক্লিমেঞ্চো (George Clemencean)।

(ঞ) প্ৰথম বিশ্বযুদ্ধৰ পাছত জাৰ্মান ৰজা দ্বিতীয় ইউলিয়ামে ক'ত আশ্ৰয় গ্ৰহণ কৰিছিল?

উত্তৰ। প্ৰথম বিশ্বযুদ্ধৰ পাছত জাৰ্মান ৰজা দ্বিতীয় উইলিয়ামে হলেণ্ডত (Holland) আশ্ৰয় গ্ৰহণ কৰিছিল।

(ট) অষ্ট্ৰিয়াৰ সৈতে কোনখন ঠাই মিত্ৰপক্ষই সন্ধি কৰিছিল?

উত্তৰ। অষ্ট্ৰিয়াৰ সৈতে মিত্ৰপক্ষই সন্ধি কৰা ঠাইখন হৈছে হাংগেৰি, চেকোশ্লোভিয়া, যুগোশ্লোভিয়া আৰু পোলেণ্ড।

(ঠ) ত্ৰিনায়ণ সন্ধি কাৰ লগত কৰা হৈছিল?

উত্তৰ। ত্ৰিনায়ণ সন্ধি (Treaty of Trinaon) হাংগেৰিৰ সৈতে কৰা হৈছিল।

(ড) জাতিসংঘ কেতিয়া প্ৰতিষ্ঠা কৰা হৈছিল?

উত্তৰ। ১৯২০ চনত বিশ্ব-শান্তি স্থাপনৰ বাবে জাতিসংঘ প্ৰতিষ্ঠা কৰা হৈছিল।

প্ৰশ্ন ৫। চমু টোকা লিখা ঃ

(ক) মৰক্কো সমস্যা, (খ) বালকান যুদ্ধ, (গ) জুটলেণ্ডৰ যুদ্ধ, (ঘ) চাৰাভেজোৰ হত্যাকাণ্ড, (ঙ) জাতিসংঘ।

উত্তৰ। মৰক্কো সমস্যা ঃ মৰক্কো সমস্যা হৈছে মৰক্কোক কেন্দ্ৰ কৰি ফ্ৰান্স আৰু জাৰ্মানিৰ মাজত উদ্ভৱ হোৱা এক সংকট। ১৯০৪ চনৰ ইংগ-ফৰাচীসকলৰ বুজাবুজিৰ মৰ্মে ইংৰাজসকলে আফ্ৰিকাৰ মৰক্কোক ফৰাচী প্ৰভাৱাধীন এলেকা বুলি স্বীকাৰ কৰে। জাৰ্মান সম্ৰাট দ্বিতীয় উইলিয়ামে এই কথা জানি খঙত জ্বলি উঠে কাৰণ সম্ৰাটে

Scanned by CamScanner

আগতেই ঘোষণা কৰিছিল যে জাৰ্মানিৰ সহযোগ অবিহনে পৃথিৱীত কোনো কাম কোনেও সম্পন্ন কৰিব নোৱাৰিব। ১৯০৫ চনত ফ্ৰান্সে ইংলেণ্ডৰ লগত হোৱা চুক্তি-মৰ্মে মৰক্কোত প্ৰাধান্য বিস্তাৰ কৰিবলৈ প্ৰয়াস কৰাত উইলিয়ামে নিজে মৰক্কোত উপস্থিত হৈ ঘোষণা কৰে যে, মৰক্কো কোনো ৰাষ্ট্ৰই এককভাৱে দাবী কৰিব নোৱাৰিব। এনে পৰিস্থিতিত মৰক্কো বিষয়লৈ ১৯০৬ চনত এলজিচাইৰাতে এখন মহাসভা অনুষ্ঠিত হয় আৰু তাৰ ফলস্বৰূপে মৰক্কোত সাময়িকভাৱে ফ্ৰান্সৰ অগ্ৰগতি ৰোধ কৰা হ'ল, কিন্তু সমস্যাটো সম্পূৰ্ণ ৰূপে সমাধান নহ'ল। ১৯১১ চনত মৰক্কোক কেন্দ্ৰ কৰি পুনৰ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হ'ল আৰু শান্তি ৰক্ষাৰ নামত ফ্ৰান্সে মৰক্কোলৈ এদল সৈন্য পঠিয়ায়। লগে লগে জাৰ্মানিয়েও মৰক্কোলৈ এখন যুদ্ধ জাহাজ পঠিয়াই। শেষত আলোচনা মৰ্মে-ফ্ৰান্সে জাৰ্মানিক ফৰাসী কংগোৰ একাংশ এৰি দিয়ে আৰু জাৰ্মানিয়ে মৰক্কোত ফ্ৰান্সৰ আধিপত্য স্বীকাৰ কৰে। এনেদৰে মৰক্কো সমস্যাটো সমাধান হয়।

(গ) **বালকান যুদ্ধ ঃ** বালকান অঞ্চলক লৈ জাৰ্মানি আৰু ৰাচিয়াৰ মাজত বিবাদ হৈছিল। বালকান উপত্যকা আছিল তুৰস্ক ৰাজ্যৰ অধীনত। অষ্টাদশ শতিকাত তুৰ্কী সাম্ৰাজ্য দুৰ্বল হৈ পৰাত বালকানৰ খ্ৰীষ্টান দেশবোৰে নিজৰ ঠাইখন স্বাধীন কৰিবলৈ যত্নপৰ হৈছিল। এইক্ষেত্ৰত ৰাচিয়াই উচটনি যোগাইছিল কাৰণ সপ্তদশ শতিকাৰেপৰা ৰাচিয়াই বালকান অঞ্চলত প্ৰাধান্য বিস্তাৰ কৰিবলৈ প্ৰয়াস কৰি আছিল। ৰুচসকল আছিল স্লাভ জাতিৰ লোক আৰু সেইবাবে ৰাচিয়াই বালকানৰ স্লাভসকলক তুৰ্কীৰ কৰ্তৃত্বৰ পৰা মুক্ত কৰি নিজৰ প্ৰভাৱ বিস্তাৰৰ কথা ভাবিছিল। চাৰ্ভিয়া হৈছে বালকানৰ স্লাভজাতিৰ এখন ডাঙৰ দেশ আৰু সেই দেশৰ নেতৃত্বতে তাত স্লাভ আন্দোলন গঢ়ি উঠিছিল। ১৯০৫—১১ চনৰ ভিতৰত বালকানৰ পৰিস্থিতি উত্তপ্ত হৈ পৰে। ১৯০৮ চনত তুৰ্কী সাম্ৰাজ্যৰ এক আভ্যন্তৰীণ বিপ্লৱৰ সুবিধা লৈ অষ্ট্ৰিয়াই বচনিয়া আৰু হাৰজিগভিনা নিজৰ ৰাজ্যৰ লগত চামিল কৰে আৰু এই কথাত ৰাচিয়াই তীব্ৰ প্ৰতিবাদ কৰিলে। সেই সময়ত জাৰ্মানিয়ে অষ্ট্ৰিয়াৰ সপক্ষে থিয় দিয়াত চাৰ্বিয়া আৰু ৰাচিয়া পিছ হুহকিবলৈ বাধ্য হয়। দেশ কেইখনৰ মাজত যুদ্ধ সংঘটিত নহ'ল যদিও ইউৰোপৰ পৰিবেশ উত্তেজনাময় হৈ ৰ'ল।

(গ) **জুটলেণ্ডৰ যুদ্ধ ঃ** ১৯১৬ চনৰ মে' মাহত প্ৰথম বিশ্বযুদ্ধ চলি থকা অৱস্থাতে উত্তৰ সাগৰৰ জাৰ্মানি আৰু ইংলেণ্ডৰ মাজত এখন ডাঙৰ নৌযুদ্ধ সংঘটিত হয়। সেই নৌযুদ্ধখন জুটলেণ্ডৰ যুদ্ধ (Battle of Jutland) নামেৰে জনা যায়।

Scanned by CamScanner

এই যুদ্ধত জাৰ্মানিয়ে **ইউবোট** (U-Boat) ব্যৱহাৰ কৰি শত্ৰুপক্ষক শলঠেকত পেলাবলৈ আপ্ৰাণ চেষ্টা চলাইছিল কিন্তু সফল হ'ব পৰা নাছিল। তেতিয়াৰপৰাই জাৰ্মানি জাহাজে ইংৰাজ নৌবাহিনীৰ কাষ চাপিবলৈ সাহস নকৰিছিল কাৰণ ইংৰাজ শক্তি নৌযুদ্ধত অতি শক্তিশালী আছিল। জুটলেণ্ড যুদ্ধত ইংৰাজ বাহিনী প্ৰায় বিধ্বস্ত হৈছিল। তথাপিও সাগৰত নিজৰ প্ৰাধান্য বজায় ৰাখিবলৈ সমৰ্থ হৈছিল।

**(ঘ) চাৰাজেভোৰ হত্যাকাণ্ড :** ১৯১৪ চনৰ ২৮ জানুৱাৰী তাৰিখে আষ্ট্ৰিকাৰ যুৱৰাজ আৰু তেওঁৰ পত্নীক বচনিয়াৰ ৰাজধানী **চাৰাজেভোত** (Serajevo) কোনোবা আততায়ীয়ে হত্যা কৰে। এই হত্যাকাণ্ডৰ লগে লগে সমগ্ৰ ইউৰোপত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অষ্ট্ৰিয়াই এই হত্যাকাণ্ডৰ বাবে চাৰ্বিয়াক জগৰীয়া কৰিলে আৰু এই সুযোগতে চাৰ্বিয়াৰ শক্তিক মষিমুৰ কৰিবলৈ সিদ্ধান্ত ললে। জাৰ্মানিৰ সাহায্যৰ প্ৰতিশ্ৰুতি লাভ কৰি দহোটা দাবী সম্বলিত এখন চৰমপত্ৰ অষ্ট্ৰিয়াই চাৰ্বিয়ালৈ পঠালে আৰু এই চৰম পত্ৰ পূৰণৰ ম্যাদ দিয়া হ'ল ৪৮ ঘণ্টা। চাৰ্বিয়াই নিজ সাৰ্বভৌমত্ব আৰু মৰ্যাদা ক্ষুণ্ণ কৰা দুই-এক চৰ্তৰ বাদে আনবোৰ দাবী মানি ল'বলৈ অমান্তি হ'ল। চাৰ্বিয়াৰ উত্তৰ সমূহ অষ্ট্ৰিয়াৰ বাবে গ্ৰহণযোগ্য নোহোৱাত চাৰাজেভোৰ হত্যাকাণ্ডৰ ঠিক এমাহৰ ভিতৰতে অষ্ট্ৰিয়াই চাৰ্বিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। অষ্ট্ৰিয়াৰ মিত্ৰ ৰাষ্ট্ৰ জাৰ্মানিয়ে এনে কাৰ্যত পূৰ্ণ সমৰ্থন আগবঢ়ালে। আনহাতে চাৰ্বিয়াক পূৰ্ণ সমৰ্থন জনালে ৰাচিয়াই। ৰাচিয়াক প্ৰতিৰোধ কৰিবলৈ ১৯১৪ চনৰ ১ আগষ্ট তাৰিখে জাৰ্মানিয়ে যুদ্ধ ঘোষণা কৰিলে। এনেদৰে চাৰাজেভোৰ হত্যাকাণ্ডৰপৰাই প্ৰথম বিশ্বযুদ্ধৰ আৰম্ভণি হয়।

**(ঙ) জাতিসংঘ :** পেৰিচ **শান্তি সন্মিলন** আৰু **ভাৰ্চাই সন্ধি পত্ৰৰ** মতে বিশ্বশান্তি ৰক্ষাৰ বাবে এক আন্তঃৰাষ্ট্ৰীয় সংঘ গঠনৰ ব্যৱস্থা কৰা হয়। সেইমতে ১৯২০ চনত বিশ্বশান্তি প্ৰতিষ্ঠাৰ হকে **জাতিসংঘ** (League of Nation) প্ৰতিষ্ঠা কৰা হয়। জাতিসংঘ গঠনৰ প্ৰস্তাৱটো আগবঢ়াইছিল ১৯১৮ চনত আমেৰিকাৰ ৰাষ্ট্ৰপতি উইলচনে। জাতিসংঘৰ প্ৰধান উদ্দেশ্য হৈছে—শান্তিপূৰ্ণ উপায়েৰে দেশসমূহৰ মাজত বিবাদ নিষ্পত্তি কৰা। জাতিসংঘৰ মূল লক্ষ্য আছিল আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ জৰিয়তে বিশ্বৰ দেশসমূহক যুদ্ধৰ পথ লোৱাৰপৰা বিৰত ৰাখি আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা আহৰণ কৰা। জাতিসংঘৰ সংবিদাত (covenant) আক্ৰমণকাৰী দেশৰ বিপক্ষে আৰ্থিক বা সামৰিক কাৰ্যব্যৱস্থা লোৱাৰো নিয়ম আছে।

Scanned by CamScanner

জাতিসংঘৰ কামকাজ চলাবৰ বাবে এখন সভা (Assambly) এখন পৰিষদ (Council) এটা সচিবালয় (Secretariat) গঠন কৰা হয়। জাতিসংঘৰ সভাত প্ৰত্যেক সদস্য-ৰাষ্ট্ৰৰ তিনিজনকৈ প্ৰতিনিধি থাকে আৰু তেওঁলাকে বছৰেকত এবাৰকৈ জেনেভাত মিলিত হয়। **'আন্তৰ্জাতিক বিচৰালয়'** আৰু **'আন্তৰ্জাতিক বনুৱা সংস্থা'** নামৰ অনুষ্ঠান দুটা জাতিসংঘৰ সহযোগী সংস্থা। জাতিসংঘই মানৱ কল্যাণমূলক আৰ্থ-সামাজিক কামবোৰত যথেষ্ট সফলতা লাভ কৰিছিল।

**প্ৰশ্ন ৬। চন তাৰিখ মিলাই লিখা ঃ**

(ক) ত্ৰিপাক্ষিক মিত্ৰতা—১৯১১ (খ) এলজিচাইৰাচৰ ঘটনা—১৮৮২

(গ) আগাডিৰৰ ঘটনা—১৯০৬ (ঘ) চেভাৰ্বৰ্চৰ সন্ধি—১৯২৩

(ঙ) লুচেনৰ সন্ধি—১৯২০

**উত্তৰ।** (ক) ত্ৰিপাক্ষিক মিত্ৰতা — ১৮৮২ চন

(খ) এলজিচাইৰাচৰ ঘটনা — ১৯০৬ চন

(গ) আগাডিৰৰ ঘটনা — ১৯১১ চন

(ঘ) চেভাৰ্বৰ্চৰ সন্ধি — ১৯২০ চন

(ঙ) লুচেনৰ সন্ধি — ১৯২৩ চন

## অতিৰিক্ত প্ৰশ্ন আৰু উত্তৰ

**প্ৰশ্ন ১। প্ৰথম বিশ্বযুদ্ধৰ পৰিণতিস্বৰূপে বিশ্বৰ কোন চাৰিটা বিশাল সাম্ৰাজ্যৰ শক্তিশালী ৰাজবংশৰ পতন হৈছিল?**

**উত্তৰ।** প্ৰথম বিশ্বযুদ্ধৰ ফলত বিশ্বৰ পতন হোৱা প্ৰধান চাৰিটা শক্তিশালী ৰাজবংশ হৈছে—ৰুচিয়াৰ ৰ'মানভ (Romanov) ৰাজবংশ, জাৰ্মানিৰ হ'হেনজোলনি (Hohenzollen) ৰাজবংশ, অষ্ট্ৰিয়া-হাংগেৰীৰ হেৰচবাৰ্গ (Hebsburg) ৰাজবংশ আৰু তুৰ্কীৰ অট'মান (Otoman) সাম্ৰাজ্য।

**প্ৰশ্ন ২। বিশ্বযুদ্ধ ফলত নতুনকৈ জন্ম লাভ কৰা দুখন স্বাধীন ৰাষ্ট্ৰৰ নাম লিখা।**

**উত্তৰ।** বিশ্বযুদ্ধৰ পাছত বহুতো স্বাধীন ৰাষ্ট্ৰই জন্মলাভ কৰিছিল। চেকোশ্লোভিয়া আৰু যুগোশ্লোভিয়া নামে দুখন স্বাধীন ৰাষ্ট্ৰৰ জন্ম হৈছিল। তেনেদৰে অষ্ট্ৰিয়া আৰু হাংগেৰীও দুখন স্বাধীন ৰাষ্ট্ৰৰূপে স্বীকৃতি পালে।

Scanned by CamScanner

**প্ৰশ্ন ৩। ফেচডাৰ ঘটনা কি?**

**উত্তৰ।** ১৮১৮ খ্ৰীষ্টাব্দত ফ্ৰান্সৰ কেপ্তেইন **মাৰচেণ্ডে** (Captain Marchand) নীল নদৰ **ফেচডা উপত্যকাত** ফ্ৰান্সৰ আধিপত্য স্থাপনৰ প্ৰতীক হিচাপে ফ্ৰান্সৰ পতাকা উত্তোলন কৰিবলৈ গৈছিল। তেতিয়া ইংলেণ্ডৰ **লৰ্ড কিচনাৰে** (Lord Kitchner) তাৰ প্ৰতিবাদ কৰি এক যুদ্ধ সদৃশ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। অৱশেষত আলোচনাৰ মাজেৰে ফেচডা বিষয়টো মীমাংসা হয় আৰু ফেচডাত ইংৰাজসকলৰ প্ৰাধান্য স্বীকৃত হয়। এয়াই আছিল ফেচডাৰ ঘটনা।

**প্ৰশ্ন ৪। ইউৰোপ মহাদেশৰ প্ৰখ্যাত দেশসমূহ কি কি?**

**উত্তৰ।** ইউৰোপ মহাদেশৰ প্ৰখ্যাত দেশসমূহ হৈছে—ইংলেণ্ড, ফ্ৰান্স, জাৰ্মানি, ৰাচিয়া, অষ্ট্ৰিয়া, হাংগেৰি আৰু ইটালী

**প্ৰশ্ন ৫। শ্লাভসকলৰ আন্দোলনৰ নেপথ্যত কোন দেশ আছিল?**

**উত্তৰ।** শ্লাভসকলৰ এখন ডাঙৰ দেশ হৈছে বালাকানৰ চাৰ্বিয়া। চাৰ্বিয়াৰ নেতৃত্বতে বালাকানত শ্লাভসকলৰ এক তীব্ৰ আন্দোলন গঢ়ি উঠিছিল। এই আন্দোলনৰ নেপথ্যত আছিল ৰাচিয়া দেশ। ৰুচসকল আছিল প্ৰধানকৈ শ্লাভ জাতিৰ লোক আৰু সেইবাবে ৰাচিয়াই বালাকানৰ শ্লাভসকলক তুৰ্কীৰ কৰ্তৃত্বৰপৰা মুক্ত কৰিব বিচাৰিছিল।

**প্ৰশ্ন ৬। ইটালিত গঢ়ি উঠা আন্দোলনটোৰ নাম কি?**

**উত্তৰ।** ইটালিত গঢ়ি উঠা আন্দোলনটোৰ নাম হৈছে—**ইটালিয়া ইৰিডেন্টা** (Italia Irredenta)। এই আন্দোলনৰ জৰিয়তে ইটালীয়ে বিশ্বৰ বিভিন্ন ঠাইত বসবাস কৰা ইটালীয় লোকসকলক লৈ এখন ডাঙৰ ৰাষ্ট্ৰ গঠনৰ সপোন দেখিছিল।

**প্ৰশ্ন ৭। জাৰ্মানিয়ে ফ্ৰান্সক পৰাজিত কৰি কোন দুখন ঠাই লাভ কৰিছিল?**

**উত্তৰ।** ১৮৭১ খ্ৰীষ্টাব্দত জাৰ্মানিয়ে ফ্ৰান্সক পৰাজিত কৰি খনিজ পদাৰ্থেৰে পৰিপূৰ্ণ **আলচেচ্** (Alsesh) আৰু **লৰেইন** (Lorain) নামৰ ঠাই দুখন লাভ কৰিছিল।

**প্ৰশ্ন ৮। মিত্ৰতা বন্ধনৰ ক্ষেত্ৰত কোনে প্ৰথম উদ্যোগ লৈছিল?**

**উত্তৰ।** মিত্ৰতা বন্ধনৰ ক্ষেত্ৰত জাৰ্মান ৰাষ্ট্ৰৰ স্ৰষ্টা **অট'ভন বিচমাৰ্কে** প্ৰথম উদ্যোগ গ্ৰহণ কৰিছিল।

**প্ৰশ্ন ৯। ইউৰোপৰ প্ৰথম সামৰিক চুক্তি কি? এই চুক্তিত কোন কোন দেশ আছিল?**

Scanned by CamScanner

উত্তৰ। ইউৰোপৰ প্ৰথম সামৰিক চুক্তি আছিল ত্ৰিপাক্ষিক মিত্ৰতা (Triple Alliance)। এই মিত্ৰতা চুক্তি ১৮৮২ চনত কৰা হৈছিল। এই মিত্ৰতা চুক্তিত থকা দেশবোৰ হৈছে—জাৰ্মানি, ইটালী আৰু অষ্ট্ৰিয়া।

**প্ৰশ্ন ১০। সৌহাৰ্দমূলক চুক্তি কেতিয়া কাৰ মাজত হৈছিল?**

**উত্তৰ।** সৌহাৰ্দমূলক চুক্তি (Entернt Cordiale) ১৯০৪ চনত ইংলেণ্ড আৰু ফ্ৰান্সৰ মাজত হৈছিল। এই চুক্তিৰ সহায়ত দুয়ো দেশে উভয় দেশৰ মাজত থকা উপনিৱেশিক সমস্যাবোৰৰ সমাধান কৰে।

**প্ৰশ্ন ১১। ১৯০৭ চনত ইউৰোপখন কোন দুটা শিবিৰত ভাগ হৈছিল?**

**উত্তৰ।** ১৯০৭ চনত ইউৰোপখন দুটা শিবিৰত ভাগ হৈছিল। তাৰে এটা শিবিৰত আছিল—জাৰ্মানি, অষ্ট্ৰিয়া আৰু ইটালী। আনটো শিবিৰত আছিল—ইংলেণ্ড, ফ্ৰান্স আৰু ৰাচিয়া।

**প্ৰশ্ন ১২। ১৯১২ চনত তুৰস্কৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰা দেশ কেইখন কি কি?**

**উত্তৰ।** ১৯১২ চনত তুৰস্কৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰা দেশ কেইখন হৈছে বালাকানৰ চাৰ্বিয়া, বুলগেৰিয়া, মণ্টেনিগ্ৰো আৰু গ্ৰীচ। তুৰস্ক দেশে এই যুদ্ধত পৰাজয় বৰণ কৰি ইউৰোপৰ বেছিভাগ অঞ্চল হেৰুৱাব লগা হয়।

**প্ৰশ্ন ১৩। বুখাৰেষ্টৰ- সন্ধি কেতিয়া হৈছিল?**

**উত্তৰ।** বুখাৰেষ্টৰ সন্ধি (Treaty of Bucharest) ১৯১৩ চনত হৈছিল। তুৰস্কৰ যুদ্ধৰ পাছত তুৰস্কৰ পৰা লাভ কৰা অঞ্চলসমূহক লৈ বিজিত দেশ কেইখনৰ মাজত কাজিয়াৰ সূত্ৰপাত হয়। এই কাজিয়াই পাছলৈ যুদ্ধৰ ৰূপ লোৱাত এই সন্ধিখন কৰিব লগা হয়। বুখাৰেষ্টৰ সন্ধিৰ পাছত চাৰ্বিয়া আৰু অষ্ট্ৰিয়াৰ সংঘাত বেছি হয়।

**প্ৰশ্ন ১৪। চাৰাজেভোৰ হত্যাকাণ্ডৰ লগত জড়িত হত্যাকাৰী কোন বুলি অষ্ট্ৰিয়াই সন্দেহ কৰিছিল?**

**উত্তৰ।** চাৰাজেভোৰ হত্যাকাণ্ডৰ লগত চাৰ্বিয়াৰ মেজৰ ভজা টাংকচিটজ (Major Voja Tankositch) আৰু মিলান চিগানভিছ (Milan Ciganavitch) নামৰ লোক দুজনক হত্যাকাৰী বুলি সন্দেহ কৰিছিল।

**প্ৰশ্ন ১৫। অষ্ট্ৰিয়াই চাৰ্বিয়ালৈ প্ৰেৰণ কৰা দহ-দফীয়া চৰম-পত্ৰত সন্নিবিষ্ট কেইটামান দাবী উল্লেখ কৰা।**

Scanned by CamScanner

**উত্তৰ।** চাৰাজেভোত হত্যাকাণ্ডৰ লগত চাৰ্বিয়াক জগৰীয়া কৰি দহোটা দাবী সম্বলিত এখন চৰম-পত্ৰ চাৰ্বিয়ালৈ প্ৰেৰণ কৰিছিল। চৰম-পত্ৰত সন্নিবিষ্ট প্ৰধান দাবীকেইটা হৈছে—অষ্ট্ৰিয়া বিৰোধী সকলো প্ৰচাৰ কাৰ্য বন্ধ কৰা; অষ্ট্ৰিয়া বিৰোধী বিভিন্ন সংস্থা দমন কৰা; অষ্ট্ৰিয়া বিৰোধী কাৰ্যৰ লগত জড়িত সকলো সামৰিক বিষয়া, চৰকাৰী কৰ্মচাৰী আৰু শিক্ষকসকলক অপসাৰণ কৰা; চাৰাজেভোৰ হত্যাকাণ্ডৰ লগত জড়িত ব্যক্তিক গ্ৰেপ্তাৰ কৰা; সীমান্ত অঞ্চলত অবৈধ অস্ত্ৰৰ সৰবৰাহ বন্ধ কৰা আদি।

**প্ৰশ্ন ১৬। প্ৰথম বিশ্বযুদ্ধত কেনেকুৱা ধৰণৰ অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ হৈছিল?**

**উত্তৰ।** প্ৰথম বিশ্বযুদ্ধত প্ৰথমবাৰৰ বাবে উৰাজাহাজ, মেচিনগান, টেংক, ইউৰোট (পানীৰ তলৰ জাহাজ), পানীয় জুই, বোমা, বিষাক্ত গেছ আদি ব্যৱহাৰ কৰা হৈছিল।

**প্ৰশ্ন ১৭। ৰুচদেশত জাৰৰ শাসনতন্ত্ৰৰ কেতিয়া অৱসান ঘটিছিল?**

**উত্তৰ।** ১৯১৭ চনৰ মাৰ্চ মাহত ৰুচ-বিপ্লৱৰ সূত্ৰপাত হৈছিল আৰু ৰুচ বিপ্লৱৰ পাছতেই জাৰৰ শাসনতন্ত্ৰৰ অৱসান ঘটিছিল। ৰুচ-বিপ্লৱৰ সময়ত ৰাচিয়াত গভীৰ খাদ্য সংকটে দেখা দিছিল।

**প্ৰশ্ন ১৮। আমেৰিকাই কেতিয়া জাৰ্মানিৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল?**

**উত্তৰ।** ১৯১৫ চনত জাৰ্মানিয়ে **লুচিটানিয়া** (Lusitania) নামৰ ব্ৰিটিছ যাত্ৰীবাহী জাহাজ ডুবাই দিছিল আৰু তাৰ ফলত বহুতো আমেৰিকাৰ নাগৰিকৰ মৃত্যু হৈছিল। যুদ্ধ বিষয়ত আমেৰিকা ব্ৰিটিছসকলৰ সমৰ্থক আছিল কিন্তু আমেৰিকাৰ নাগৰিকৰ মৃত্যু হোৱাত তেওঁলোক জাৰ্মানিৰ ওপৰত ক্ষুণ্ণ হৈছিল। সেই কাৰণে ১৯১৭ চনৰ ৬ এপ্ৰিল তাৰিখে আমেৰিকাই জাৰ্মানিৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল।

**প্ৰশ্ন ১৯। পেৰিচ শান্তি চুক্তিৰ প্ৰধান চৰ্তাৱলী কাৰ কাৰ মাজত আলোচনা কৰি স্থিৰ কৰিছিল?**

**উত্তৰ।** পেৰিচ শান্তি চুক্তিৰ প্ৰধান চৰ্তাৱলী প্ৰধানকৈ চাৰিটা শক্তিৰ মাজত আলোচনা কৰি স্থিৰ কৰা হৈছিল। সেই শক্তি কেইটা হৈছে—আমেৰিকা, ইংলেণ্ড, ফ্ৰান্স আৰু ইটালী। এই শান্তি সন্মিলনত প্ৰতিনিধিত্ব কৰিছিল—আমেৰিকাৰ ৰাষ্ট্ৰপতি উদ্ৰ উইলচন, ফ্ৰান্সৰ প্ৰধানমন্ত্ৰী ক্লিমেঞ্চো, ইংলেণ্ডৰ প্ৰধান মন্ত্ৰী লয়ড জৰ্জ, ইটালিৰ প্ৰধানমন্ত্ৰী **ভিটৰিঅ' অৰ্লেণ্ডই** (Vittorio Orlando)।

**প্ৰশ্ন ২০। ভাৰ্চাই সন্ধি কেতিয়া স্বাক্ষৰিত হয়? এই সন্ধিমতে জাৰ্মানিয়ে কোন কেইখন ৰাজ্য মিত্ৰপক্ষক এৰি দিব লগা হৈছিল?**

Scanned by CamScanner

উত্তৰ। ১৯১৯ চনৰ ২৮ জুন তাৰিখে ভাৰ্চাই সন্ধি (Treaty of Verrailles) খন স্বাক্ষৰিত হয়। প্ৰকৃততে জাৰ্মানিৰ ওপৰত ভাৰ্চাই সন্ধিখন জাপি দিয়া হৈছিল? ভাৰ্চাই সন্ধিৰ চৰ্তমতে জাৰ্মানিক বিশ্বযুদ্ধৰ বাবে জগৰীয়া কৰি আগতে আনৰপৰা জয় কৰা ৰাজ্য ক্ষেত্ৰসমূহ ঘূৰাই দিয়াৰ ব্যৱস্থা কৰা হয়।

ভাৰ্চাই সন্ধিমতে—জাৰ্মানিয়ে আলচেচ আৰু লৰেইন ফ্ৰান্সক ঘূৰাই দিয়ে; মেলমেডি আৰু মৰেজনেট বেলজিয়ামক ঘূৰাই দিয়ে; পজেন আৰু পশ্চিম প্ৰুচিয়াৰ একাংশ পোলেণ্ডক এৰি দিয়ে আৰু ডেনমাৰ্কক শ্লেচ্‌উইগ আৰু বাল্টিক উপকূলত থকা মেমেল বন্দৰটো মিত্ৰপক্ষক এৰি দিয়ে।

**প্ৰশ্ন ২১। প্ৰথম বিশ্বযুদ্ধৰ সূচনাৰ তৎকালীন কাৰণ কি?**

**উত্তৰ।** ১৯১৪ খ্ৰীষ্টাব্দৰ ১৮ জুনৰ দিনা অষ্ট্ৰিয়া-হাংগেৰি সিংহাসনৰ উত্তৰাধিকাৰী আৰ্কডিউক ফ্ৰেন্সিচ ফাৰ্ডিনান্দক বচনিয়াৰ নাগৰিক ছাৰাজেভোক চাৰ্বিয়াৰ আততায়ীৰ দ্বাৰা হত্যা কৰা হৈছিল। এই হত্যাকাণ্ডৰ সূত্ৰলৈয়ে ১৯১৪ চনৰ ২৮ জুলাইত এক ভয়ঙ্কৰ যুদ্ধৰ সূচনা হৈছিল। এই যুদ্ধ ক্ৰমে সমগ্ৰ বিশ্ব বিয়পি বিশ্বযুদ্ধৰ ৰূপ লৈছিল।

**প্ৰশ্ন ২২। পেৰিচৰ শান্তি সম্মিলনৰ প্ৰতিনিধিসকলে কি কি শান্তিচুক্তিৰ খচৰা প্ৰস্তুত কৰিছিল?**

**উত্তৰ।** পেৰিচৰ শান্তি সম্মিলন সুদীৰ্ঘ চাৰে চাৰিমাহ (অৰ্থাৎ প্ৰায় ১৩৫ দিন) চলিছিল আৰু তাত প্ৰতিনিধিসকলে পাঁচটা শান্তি চুক্তিৰ খচৰা প্ৰস্তুত কৰিছিল। সেই শান্তি চুক্তিসমূহ হৈছে—

(১) ভাৰ্চাই চুক্তি : ১৯১৯ চনৰ ২৮ জুনত জাৰ্মানিয়ে স্বাক্ষৰ কৰে।
(২) ছেন্ট জাৰ্মাইন চুক্তি : ১৯১৯ চনৰ ১০ চেপ্তেম্বৰত অষ্ট্ৰিয়াই স্বাক্ষৰ কৰে।
(৩) নিউলী চুক্তি : ১৯১৯ চনৰ ২৭ নৱেম্বৰত বুলগেৰিয়াই স্বাক্ষৰ কৰে।
(৪) ট্ৰায়নন চুক্তি : ১৯২০ চনৰ ৪ জুনত হাংগেৰিয়ে স্বাক্ষৰ কৰে।
(৫) চেব্ৰৰ চুক্তি : ১৯২০ চনৰ ১০ আগষ্টত তুৰ্কীয়ে স্বাক্ষৰ কৰে।

**প্ৰশ্ন ২৩। প্ৰথম বিশ্বযুদ্ধৰ কেতিয়া অন্ত পৰিছিল?**

**উত্তৰ।** ১৯১৮ চনৰ ১১ নৱেম্বৰত জাৰ্মানিৰ নতুন প্ৰজাতান্ত্ৰিক চৰকাৰৰ প্ৰতিনিধিয়ে মিত্ৰপক্ষৰ লগত যুদ্ধবিৰতি চুক্তিত চহী কৰিছিল; অৰ্থাৎ জাৰ্মানিয়ে

Scanned by CamScanner

চৰ্তবিহীনভাৱে আত্মসমৰ্পণ কৰাত ১৫৬৫ দিন ধৰি চলা বিশ্বযুদ্ধখন ১৯১৮ চনৰ ১১ নৱেম্বৰত অন্ত পৰিছিল।

**প্ৰশ্ন ২৪। জাতিসংঘৰ সৈতে গঢ়ি উঠা সহযোগী অনুষ্ঠান দুটা কি কি?**

**উত্তৰ।** জাতিসংঘৰ সৈতে গঢ়ি উঠা সহযোগী অনুষ্ঠান দুটা হৈছে—আন্তৰ্জাতিক বিচৰালয় (International Court of Justice) আৰু আন্তৰ্জাতিক বনুৱা সংস্থা (International Labour Organisation)। আন্তৰ্জাতিক বিচৰালয়ৰ মুখ্য কাৰ্যালয়টো নেডাৰলেণ্ডৰ ডি-হেগ চহৰত অৱস্থিত।

**প্ৰশ্ন ২৫। জাতিসংঘৰ কিয় গুৰুত্ব কমি আহিছিল?**

**উত্তৰ।** জাতিসংঘৰ পিতৃস্বৰূপ উদ্ৰো উইলচনৰ নিজ দেশ আমেৰিকা জাতিসংঘৰ সদস্য হোৱা নাছিল। বাস্তবিকতে বৃহৎ শক্তিসমূহৰ স্বাৰ্থপৰ নীতিৰ বাবে জাতিসংঘ এক দক্ষ ফলপ্ৰসূ সংস্থাত পৰিণত হ'ব পৰা নাছিল। জাপানৰ মাঞ্চুৰিয়া দখল, স্পেইনৰ গৃহযুদ্ধ, ইটালিৰ আবিচিনিয়া অভিযান আদি সমস্যাত জাতিসংঘই দৃঢ় পদক্ষেপ ল'ব নোৱাৰাৰ ফলতেই লাহে লাহে জাতিসংঘৰ গুৰুত্ব কমি আহিছিল।

## খালি ঠাই পূৰ কৰা

**প্ৰশ্ন ১। বুলগেৰিয়াৰ সৈতে মিত্ৰপক্ষই — কৰি বুলগেৰিয়াক সৰু ৰাষ্ট্ৰত পৰিণত কৰে।**

**উত্তৰ।** নিউলিত সন্ধি (Neuily treaty, 1919)

**প্ৰশ্ন ২। তুৰস্কৰ সৈতে মিত্ৰপক্ষই — ঠাইত — সন্ধি কৰে।**

**উত্তৰ।** চেভাৰচ নামৰ; চেভাৰ্চ সন্ধি (Treaty of Sevres, 1920)।

**প্ৰশ্ন ৩। ১৯১৫ চনত জাৰ্মানিয়ে — নামৰ যাত্ৰীবাহী জাহাজ এখন ডুবাই দিয়ে।**

**উত্তৰ।** লুচিটানিয়া (Lusitania)।

**প্ৰশ্ন ৪। ১৯১৮ চনত ৰুচসকলক যুদ্ধৰপৰা সকাহ দিবলৈ জাৰ্মানিয়ে — এখন সন্ধি কৰে।**

**উত্তৰ।** ব্ৰেষ্ট লিটভস্কত (Brest Litovsk)।

**প্ৰশ্ন ৫। — সন্ধি অনুসৰি বালকানৰ দ্বিতীয় যুদ্ধখনৰ সমাপ্তি হয়।**

Scanned by CamScanner